**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 24**-05-2026
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰী মাৰ্ক ৰুবিঅ' আজি নতুন দিল্লীত বিভিন্ন বিষয়ত আলোচনাত মিলিত হয়।

২। পশ্চিমবংগৰ ফাল্টা বিধানসভা সমষ্টিৰ পুনৰ নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী দেৱাংশু পাণ্ডা বিপুল ভোটত জয়ী হৈছে।

৩। বাংলাদেশত বিগত ২৪ ঘণ্টাত সৰুআই সদৃশ ৰোগত মৃত্যু হোৱা লোকৰ সংখ্যা ১৬ লৈ বৃদ্ধি পাইছে।

৪। ভিয়েটনামত অনুষ্ঠিত ২৩ বছৰ অনুৰ্ধৰ এছিয়ান মল্লযুঁজ চেম্পিয়নশ্বিপৰ মহিলাৰ ফ্ৰিষ্টাইল শাখাত ভাৰতীয় খেলুৱৈসকলে দুটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হৈছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছে মুম্বাই ইণ্ডিয়ানছক জয়ৰ বাবে ২০৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰী মাৰ্ক ৰুবিঅ' আজি নতুন দিল্লীত বিভিন্ন বিষয়ত আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই ভাৰত-আমেৰিকা কৌশলগত অংশীদাৰিত্বৰ দৃঢ়তা পুনৰ নিশ্চিত কৰাৰ লগতে বাণিজ্য, শক্তি, আঞ্চলিক নিৰাপত্তাকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ খণ্ডক সামৰি আলোচনা কৰে। প্ৰতিনিধি পৰ্য্যায়ৰ এই বৈঠকৰ পাছত এখন সংবাদমেলত ড০ জয়শংকৰে অতি শীঘ্ৰেই এখন বাণিজ্য চুক্তি সম্পন্ন হোৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

ইৰানৰ সংঘৰ্ষ সন্দৰ্ভত ড০ জয়শংকৰে কয়, যে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই গোলকীয় ইন্ধন মূল্য হ্ৰাস হোৱাটো নিশ্চিত কৰাৰ বাবে আগ্ৰহী। তেওঁ লগতে আলোচনা আৰু কূটনীতিৰ দিশত ভাৰতৰ স্থিতি তথা নিৰাপদ আৰু অপ্ৰতিৰোধ্য সামুদ্ৰিক বাণিজ্যৰ কথাও দোহাৰে। আমেৰিকা, ইজৰাইল, ইৰাণকে ধৰি উপ-সাগৰীয় ৰাষ্ট্ৰসমূহৰ সৈতে শক্তিশালী সম্পৰ্ক থকা দেশসমূহৰ ভিতৰত ভাৰত অন্যতম বুলি ড০ জয়শংকৰে উল্লেখ কৰে। ভাৰতে এই খণ্ডত শান্তি আৰু স্থিৰতা কামনা কৰাৰ লগতে ভাৰতীয় লোকৰ কল্যাণ তথা শক্তি সম্পদৰ মূল্য হ্ৰাস পোৱাটো বিচাৰে বুলি তেওঁ দোহাৰে।

আমেৰিকাৰ বিদেশ মন্ত্ৰী মাৰ্ক ৰুবিঅ'ই ভাৰতৰ সৈতে কৌশলগত অংশীদাৰিত্বৰ কথা উল্লেখ কৰি কয়, যে বিশ্বৰ ভিতৰতে ভাৰত হৈছে আমেৰিকা যুক্তৰাষ্ট্ৰৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অংশীদাৰ। আজিৰ

বৈঠকত দুয়োগৰাকী নেতাই উপসাগৰীয় ৰাষ্ট্ৰ আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় খণ্ডৰ বিকাশকে ধৰি বিভিন্ন আঞ্চলিক বিষয়ত আলোচনা কৰে।

০০০০০

বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী বি শ্ৰীনিবাস বাৰ্মাই আজি অন্ধ্ৰ প্ৰদেশৰ কৃষ্ণ জিলাৰ কংকীপাডু মণ্ডলত পুনাৰীপাডুত আয়োজিত পণ্ডিত দীনদয়াল উপাধ্যায় প্ৰশিক্ষণ মহা অভিযানত অংশগ্ৰহণ কৰে। বিজেপিয়ে দেশজুৰি দলীয় কৰ্মকৰ্তাসকলৰ মাজত দলটোৰ মূল দৰ্শন সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে আয়োজন কৰা ব্যাপক প্ৰশিক্ষণ কাৰ্য্যসূচীৰ অংশ হিচাপে এই অনুষ্ঠান আয়োজিত হৈছে। অনুষ্ঠানত ভাষণ দি শ্ৰীবাৰ্মাই কয়, যে এই প্ৰশিক্ষণ কাৰ্য্যসূচীৰ উদ্দেশ্য হৈছে, বুথ পৰ্য্যায়ৰ কৰ্মকৰ্তাসকলক উপযুক্ত প্ৰশিক্ষণৰ জৰিয়তে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ উল্লেখযোগ্য নেতা হিচাপে গঢ়ি তোলা। তেওঁ লগতে কয়, যে বিজেপি কেৱল এটা ৰাজনৈতিক দলেই নহয়, বৰং ই হৈছে শক্তিশালী আদৰ্শ তথা জাতীয়তাবাদৰ ভিত্তিত গঢ়ি উঠা এটা সংস্থা। জিলা পৰ্য্যায়ৰ এই প্ৰশিক্ষণ কাৰ্য্যসূচীত মন্ত্ৰীগৰাকীয়ে বিজেপিৰ ইতিহাস, আদৰ্শগত নীতি তথা অন্ত্যোদয়াৰ প্ৰতি দলটোৰ প্ৰতিশ্ৰুতিৰদ্ধতাৰ বিষয়ে উল্লেখ কৰে।

০০০০০

পশ্চিমবংগৰ ফাল্টা বিধানসভা সমষ্টিৰ পুনৰ নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থী দেৱাংশু পাণ্ডা বিপুল ভোটত জয়ী হৈছে। প্ৰাৰ্থীগৰাকী ১ লাখ ৯ হাজাৰতকৈও অধিক ভোটত বিজয়ী হয়। উল্লেখযোগ্য যে, এই আসনখন তৃণমূল কংগ্ৰেছৰ আধিপত্যৰ বাবে চৰ্চাত আছিল। চি পি আই এমৰ প্ৰাৰ্থী শম্ভূনাথ কুৰ্মী ৪০ হাজাৰ ছশতকৈও অধিক ভোটেৰে দ্বিতীয় স্থানত থাকে। কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুৰ ৰাজ্জাক মোল্লা তৃতীয় স্থানত থকাৰ বিপৰীতে তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী জাহাংগীৰ খান ৭ হাজাৰ ৭০০তকৈও অধিক ভোটেৰে চতুৰ্থ স্থানলৈ অৱনমিত হয়। উল্লেখযোগ্য যে, পশ্চিমবঙ্গ বিধানসভা নিৰ্বাচনত ফাল্টা সমষ্টিত ব্যাপক অনিয়মৰ অভিযোগ উত্থাপিত হোৱাত নিৰ্বাচন আয়োগে সমষ্টিটোত যোৱা ২১ মে'ত পুনৰ নিৰ্বাচন অনুষ্ঠিত কৰে।

০০০০০

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আসোঁৱাহমুক্ত পুনৰ মূল্যায়ণ সুনিশ্চিত কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ চি বি এছ ইক সহায় কৰিবলৈ ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান মাদ্ৰাজ আৰু কানপুৰৰ অধ্যাপক তথা প্ৰযুক্তি বিশেষজ্ঞৰ এটা দলক নিয়োগ কৰাৰ নিৰ্দেশ দিছে। চি বি এছ ইৰ পৰীক্ষাৰ ফলাফল সম্পৰ্কীয় প'ৰ্টেলত শিক্ষাৰ্থী তথা অভিভাৱকসকলে উত্থাপন কৰা বিভিন্ন আপত্তি তথা শেহতীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত লোৱা হৈছে। শিক্ষা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰিছে যে, ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান আই আই টিৰ বিশেষজ্ঞৰ দলটোৱে সমস্ত প্ৰক্ৰিয়াৰ প্ৰায়োগিক বিকাশ কৰাৰ লগতে প'ৰ্টেলটোৰ স্থিৰতা তথা চাৰ্ভাৰৰ কাম-কাজ বিশেষভাৱে পৰীক্ষা কৰিব।

০০০০০

কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী কে ৰাম মোহন নাইডুৱে আজি কয়, যে সকলোৱে দেশৰ সংস্কৃতি আৰু পৰম্পৰাক সন্মান জনোৱাৰ লগতে সংৰক্ষণৰ প্ৰচেষ্টা চলোৱা উচিত। অন্ধ্ৰ প্ৰদেশৰ তিৰুপতিৰ আলীপিৰি পাডালা মণ্ডপমৰ পৰা খোজ কাঢ়ি আহি তিৰুমালাত উপস্থিত হৈ মন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয়, যে দেশৰ সাংস্কৃতিক ঐতিহ্য সংৰৰ্ধন কৰাৰ লগতে সুৰক্ষিত কৰি ৰখাৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিৰদ্ধ হোৱা উচিত। শ্ৰীনাইডুৱে ভক্তসকলৰ সুবিধাৰ্থে খোজ কাঢ়ি অহা পথছোৱাৰ সু-ব্যৱস্থা কৰাৰ বাবে তিৰুমালা-তিৰুপতি দেৱস্থানমৰ শলাগ লয়। ধৰ্মীয় স্থানখনৰ ব্যৱস্থা সন্দৰ্ভত ভক্তসকলে সন্তুষ্টি

প্ৰকাশ কৰা বুলি উল্লেখ কৰি   শ্ৰীনাইডুৱে কয়, যে তিৰুমালাৰ সু-ব্যৱস্থাসমূহে এন ডি এ চৰকাৰৰ সু-প্ৰশাসনীয় পদক্ষেপ প্ৰতিফলিত কৰিছে। দেশৰ বিভিন্ন প্ৰান্তত অব্যাহত থকা গ্ৰীষ্ম প্ৰবাহৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰীগৰাকীয়ে সকলোকে সতৰ্কতা অৱলম্বন কৰিবলৈ অনুৰোধ জনাইছে।

ooooo

বাংলাদেশত বিগত ২৪ ঘণ্টাত সৰুআই সদৃশ ৰোগত মৃত্যু হোৱা লোকৰ সংখ্যা ১৬ লৈ বৃদ্ধি পাইছে। দেশখনত চলিত বৰ্ষত এই ৰোগত মুঠ ৫২৮ জন লোকৰ মৃত্যু হৈছে। বাংলাদেশৰ স্বাস্থ্য সেৱা সঞ্চালকালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি, এই সময়ছোৱাত এহেজাৰ ৩০০ৰো অধিক লোক এই ৰোগত নতুনকৈ আক্ৰান্ত হোৱাৰ সন্দেহ কৰা হৈছে। বিগত মাৰ্চলৈকে দেশখনত ৮ হাজাৰ ছশৰো অধিক লোক সৰুআইত আক্ৰান্ত হোৱাটো নিশ্চিত হোৱাৰ লগতে সৰুআই সদৃশ ৰোগত আক্ৰান্তৰ সংখ্যা ৬৩ হাজাৰ অতিক্ৰম কৰিছে। এই সংক্ৰমণৰ মাজতে ইউনিচেফে কয়, যে সংস্থাটোৱে প্ৰফেচাৰ মহম্মদ ইউনিছ নেতৃত্বাধীন অন্তৰ্বৰ্তী চৰকাৰক সম্ভাব্য প্ৰতিষেধকৰ অভাৱৰ বিষয়ে সতৰ্ক কৰি দিছিল। তথ্য অনুসৰি, প্ৰতিষেধক ক্ৰয় কৰাত পলম হোৱাৰ বাবে নিয়মীয়াকৈ প্ৰতিষেধক প্ৰদান কাৰ্য্যসূচী ব্যাহত হয়।

উল্লেখযোগ্য যে, ম্যানমাৰ সীমান্তৰ সমীপত থকা ৰহিঙ্গীয়া শৰণাৰ্থী শিৱিৰত আৰম্ভ হোৱা সৰুআইৰ প্ৰাদুৰ্ভাৱ সম্প্ৰতি দেশখনৰ ৫৮ খন জিলালৈ বিয়পি পৰিছে আৰু ২১ হাজাৰৰো অধিক লোক চিকিৎসাধীন হৈ আছে। বিশ্ব স্বাস্থ্য সংস্থাই দেশখনৰ চুবুৰীয়া ম্যানমাৰ আৰু ভাৰতলৈ এই ৰোগৰ সংক্ৰমণ হোৱাৰ আশংকা কৰি সতৰ্ক কৰি দিছে। বাংলাদেশত বৰ্তমান ইউনিচেফৰ জৰিয়তে প্ৰতিষেধক ক্ৰয় কৰা হৈছে আৰু সমগ্ৰ দেশখনতে তাৎক্ষণিক প্ৰতিষেধক প্ৰদান অভিযান চলোৱা হৈছে।

ooooo

অন্ধ্ৰপ্ৰদেশৰ স্বাস্থ্য মন্ত্ৰী সত্য কুমাৰ য়াদৱে কংগো, য়ুগাণ্ডা আৰু দক্ষিণ চুদানকে ধৰি আফ্ৰিকীয় দেশসমূহত ইব'লা ভাইৰাছৰ প্ৰাদুৰ্ভাৱ হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে সাৱধানতামূলক ব্যৱস্থাসমূহ ত্বৰান্বিত কৰা বুলি প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে এটা প্ৰেছ বিবৃতিত কয়, যে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশাৱলী আৰু বিশ্ব স্বাস্থ্য সংস্থাই জাৰি কৰা পৰামৰ্শৰ সৈতে সংগতি ৰাখি যিকোনো জৰুৰী অৱস্থাৰ সন্মুখীন হ'বলৈ স্বাস্থ্য বিভাগ সম্পূৰ্ণ প্ৰস্তুত হৈ আছে। বিশাখাপটনম, তিৰুপতি আৰু বিজয়ৱড়াৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত বিশেষ পৰ্য্যবেক্ষণৰ ব্যৱস্থা কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ কয়, যে ইব'লাৰ প্ৰাদুৰ্ভাৱ হোৱা দেশসমূহৰ পৰা উভতি অহা যাত্ৰীসকলৰ  বিশেষভাৱে স্বাস্থ্য পৰীক্ষা কৰা হ'ব।

ooooo

ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত দোভালে আজি নতুন দিল্লীত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰী তথা ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা মাৰ্ক ৰুবিঅ'ক সাক্ষাৎ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰকাশ কৰা মতে, তেওঁলোকৰ মাজৰ আলোচনাত প্ৰতিৰক্ষা, নিৰাপত্তা আৰু কৌশলগত প্ৰযুক্তি সহযোগিতা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হয়। মন্ত্ৰালয়ে লগতে কয়, যে দুয়োগৰাকী ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টাই দ্বিপাক্ষিক ব্যাপক গোলকীয় কৌশলগত অংশীদাৰিত্বৰ অগ্ৰাধিকাৰৰ কথা দোহাৰে। তেওঁলোকে লগতে আঞ্চলিক আৰু গোলকীয় বিষয়তো মত বিনিময় কৰে।

ooooo

ভিয়েটনামৰ দা নাঙত অনুষ্ঠিত ২৩ বছৰ অনুৰ্ধৰ এছিয়ান মল্লযুঁজ চেম্পিয়নশ্বিপৰ মহিলাৰ ফ্ৰিষ্টাইল শাখাত ভাৰতীয় খেলুৱৈসকলে দুটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হৈছে। প্ৰতিযোগিতাৰ

৫০ কিলোগ্ৰাম শাখাত ভাৰতৰ চুইটি, ভিয়েটনামৰ প্ৰতিদ্বন্দ্বীৰ হাতত ৭-৫ৰ ব্যৱধানত পৰাস্ত হোৱাত ৰূপৰ পদকতে ক্ষান্ত থাকিবলগীয়া হয়। একেদৰে, ৫৯ কিলোগ্ৰাম শাখাৰ ফাইনেলত নেহা চাংৱানে উজবেকিস্তানৰ প্ৰতিদ্বন্দ্বীৰ হাতত পৰাজিত হৈ ৰূপৰ পদক লাভ কৰে। ৫৫ কিলোগ্ৰাম শাখাত অহিল্যা সিণ্ডেই ব্ৰঞ্জৰ পদক লাভ কৰিছে।

ইপিনে, পুৰুষৰ গ্ৰেকো ৰোমান শাখাত সুমিতে ৬৩ কিলোগ্ৰাম শাখাত ফাইনেলত প্ৰৱেশ কৰিছে। ফাইনেলত খেলুৱৈগৰাকী উজবেকিস্তানৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে মুম্বাই ইণ্ডিয়ানছক জয়ৰ বাবে ২০৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ৰাজস্থান ৰয়েলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ২০৫ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ ধ্ৰুৱ জুৰেলে সৰ্বাধিক ৩৮ ৰাণ কৰে। প্ৰত্যুত্তৰত আমালৈ বাতৰি অহাৰ পৰলৈ মুম্বাই ইণ্ডিয়ানছে ১৫ অভাৰত ৫ উইকেটৰ বিনিময়ত ১৪৭ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া আন এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ ডেল্‌হি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত